Estd-1945

### দিনটোৰ বাণী

সৰ্বসাধাৰণ জনতাৰ সহ্য
গুণ অসাধাৰণ। জনতাই
সকলোকে ক্ষমা কৰি দিয়ে,
প্ৰতিভাশালী বা মহৎজনক
কোনো দিনে ক্ষমা নকৰে।

— অস্কাৰ ৱাইল্ড

# অসম আদিত্য

RNI REGN. No. : ASSAS
epaper.asomadit
Portal : www.asoma
e-mail : asomaditya(

### স্বাস্থ্য

ডায়েৰিয়া ৰোগত ভেদাইল
পেটৰ বিভিন্ন প্ৰকাৰৰ ৰোগ,
আদিত ভেদাইলতাৰ তৰকাৰী
পোৱা যায়। বাতবিষত আ
ভেদাইলতাৰ ৰস খালে অ

■ পঞ্চম বছৰ ■ সংখ্যা ৮৫ ■ ১৫ চ'ত, ১৯৪৪ শক ■ বৃহস্পতিবাৰ, ৩০ মাৰ্চ, ২০২৩ ■ Asom Aditya, Dibrugarh, Thursday, March 30, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত ■ ডিব্ৰ



ডিব্ৰুগড়, ২৯ মাৰ্চ ঃ ডিব্ৰুগড়ৰ সমাজ কল্যাণ বিভাগৰ তত্বাৱধানত আৰু জিলা শিশু সুৰক্ষা গোটৰ উদ্যোগত বাল্য বিবাহ নিবাৰণ উপলক্ষে এখন বাটৰ নাট প্ৰদৰ্শন কৰা হয়। অতিৰিক্ত উপায়ুক্ত জিতু কুমাৰ দাস, শিশু সুৰক্ষা বিষয়া সংগীতা দাস, জিলা তথ্য আৰু জনসংযোগ বিষয়া স্নিগ্ধা ৰাণী দাস, সমাজ কল্যাণ বিভাগৰ কৰ্মচাৰী তথা সংবাদ মাধ্যমৰ উপস্থিতিত প্ৰায় ৩০ মিনিটজোৰা বাটৰ নাট পথচাৰীৰ সন্মুখত প্ৰদৰ্শন কৰা হয়। বাটৰ নাটত অংশগ্ৰহণ কৰা অভিনেতা-অভিনেত্ৰীসকলে বাল্য বিবাহৰ কাৰণে শিশুৰ প্ৰতি হোৱা বিভিন্ন নিৰ্যাতন অভিনয়ৰ দ্বাৰা প্ৰদৰ্শন কৰে। শিশু সুৰক্ষা গোটে বাটৰ নাট থানা চাৰিআলি, পাঁচআলি আৰু লাহোৱালতো প্ৰদৰ্শন কৰে।

## সদৌ অসম সত্ৰ মহাসভাৰ ডিব্ৰুগড় জিলা সমিতি গঠন

ডিব্ৰুগড়, ২৯ মাৰ্চ ঃ অসমৰ আধ্যাত্মি আৰু সাসংকৃতিক চিন্তাৰ উত্তৰণৰ উদ্দেশ্যেৰে সদৌ অসম সত্ৰ মহাসভাৰ উদ্যোগত ডিব্ৰুগড় জিলা সমিতিখন আজি গঠন কৰা হয়। ডিব্ৰুগড়ৰ আৱৰ্তভৱনত সদৌ অসম সত্ৰ মহাসভাৰ সভাপতি, শ্ৰীশ্ৰী গড়মূৰ সৰু সত্ৰৰ সত্ৰাধিকাৰ হৰিদেৱ গোস্বামী, সম্পাদক, শ্ৰীশ্ৰীতামোলবাৰী সত্ৰৰ সত্ৰাধিকাৰ হিৰণ গোস্বামী আৰু প্ৰধান সম্পাদক, শ্ৰীশ্ৰী জগৰাল সত্ৰৰৰ সত্ৰাধিকাৰ প্ৰান্তিক গোস্বামীৰ উপস্থিতিত ডি এইচ এচ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি ড° শশীকান্ত শইকীয়াক সভাপতি, ডিএইচ এছ কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামীক কাৰ্যকৰী সভাপতি, ভূৱন মোহন গোস্বামীক সম্পাদক আৰু ডিএইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যাপক ড° জ্যোতি প্ৰসাদ ফুকনক সহকাৰী সম্পাদক হিচাপে লৈ ৩১ জনীয়া এখন সমিতি গঠন কৰা হয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত ডিব্ৰুগড় জিলাৰ ভালেসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

## তেলপানীত যুৱকৰ আত্মঘাতী

বিশেষ প্ৰতিনিধি, টেঙাখাত, ২৯ মাৰ্চ ঃ ডিব্ৰুগড় জিলাৰ টেঙাখাত আৰক্ষী থানাৰ অধীনস্থ তেলপানী দিহিংহোলাৰ ৰাজু ঠাকুৰীৰ পুত্ৰ মোহিত ঠাকুৰীয়ে (১৮) কালি সন্ধিয়া প্ৰায় ৬.৩০ বজাত বুঢ়ীদিহিং নদীত জঁপিয়াই আত্মহত্যা কৰাৰ ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। আজি ইতিমধ্যে এন ডি আৰ এফ বাহিনীয়ে তেওঁৰ মৃতদেহ উদ্ধাৰ কৰিছে। আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰিছে। ঘটনাৰ প্ৰকৃত কাৰণ জানিব পৰা নাই যদিও আৰক্ষীয়ে পাৰিবাৰিক অশান্তিৰ ফলতেই এই ঘটনা সংঘটিত হোৱাৰ আশংকা কৰিছে।

অনুভৱ ব্যক্ত
কৰে। সভাত
ৰঞ্জু ভট্টাচাৰ্যৰ
কৰি তে
আজীৱন
কাঞ্চন বৰুৱাই
কবিতা পাঠ ব
দিয়ে। সমাজ
সকলোলৈকে

## লাহে
## পথ

### এজন

স্থায়
লাহোৱালৰ ৩
আজি আ